জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪৭/২০২৩**

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত বিমান পৰিবহণ প্ৰতিষ্ঠান ফ্লাইবিগ আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

## ৰাজ্যৰ বিমান পৰিবহণ ব্যৱস্থাটো অধিক গতিশীল কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মাৰ্চ ঃ** ৰাজ্যৰ বিমান পৰিৱহণ ব্যৱস্থাত এক নতুন গতি প্ৰদানৰ উদ্দেশ্যৰে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিমান পৰিবহণ প্ৰতিষ্ঠান ফ্লাইবিগ আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসম পৰ্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক কুমাৰ পদ্মপানি বৰা আৰু ফ্লাইবিগৰ সঞ্চালক সঞ্জয় নটবৰলাল মাণ্ডাভিয়াৰ মাজত এই চুক্তি সম্পাদিত হয়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ বিমান পৰিবহণ ব্যৱস্থাক অধিক গতিশীল কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ আৰম্ভ কৰিছে। আজি সম্পাদিত চুক্তিৰ জৰিয়তে গুৱাহাটী-ডিব্ৰুগড় আৰু গুৱাহাটী-শিলচৰৰ মাজত সপ্তাহৰ প্ৰতিটো দিনতে ফ্লাইবিগ প্ৰতিষ্ঠানৰ একোখনকৈ বিমান চলাচল কৰিব। ইতিমধ্যে ফ্লাইবিগে উত্তৰ-পূবৰ আন ৰাজ্যসমূহৰ ৰাজধানীসমূহলৈও বিমান চলাচল কৰি আহিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে 'উড়ান' আঁচনিৰ অধীনস্থ হিচাপে চিহ্নিত নোহোৱা পথত বিমান চলাচল কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে প্ৰয়াস চলাইছে যাতে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থা আৰু অধিক শক্তিশালী হৈ উঠে।

ভাৰত চৰকাৰৰ উড়ান আঁচনিৰ প্ৰেৰণাৰে ৰাজ্য চৰকাৰে বিমান চলাচলৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ফ্লাইবিগৰ লগত অসম চৰকাৰে যুটীয়াভাৱে আকাশী পৰিবহণ ব্যৱস্থাটো শক্তিশালীকৰণৰ বাবে লোৱা প্ৰয়াসৰ বাবে আজি এই চুক্তি সম্পাদিত হৈছে। ৰাজ্য চৰকাৰে জনসাধাৰণৰ আৰ্থিক দিশটোৰ প্ৰতিও লক্ষ্য ৰাখিছে বুলিও উল্লেখ কৰি তেওঁ কয় যে এই বিমান সেৱাত যাত্ৰীসকলে ৪ হাজাৰ টকাতকৈ অধিক ধন ব্যয় কৰিব নালাগে। তেওঁ লগতে কয় যে এই চুক্তিৰ ফলত নিশ্চিত বিমান যোগাযোগ হোৱাৰ লগতে ডিব্ৰুগড় আৰু শিলচৰৰ মাজত আকাশী মাৰ্গৰ যোগাযোগ অধিক শক্তিশালী হৈ উঠিব। আগন্তুক দিনত ৰাজ্য চৰকাৰে তেজপুৰ, যোৰহাটৰ লেখীয়া অন্যান্য চহৰসমূহকো অনুৰূপ ধৰণে সামৰি ল'ব বুলি তেওঁ কয়।

পৰ্যটন বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ফ্লাইবিগৰ সঞ্চালক সঞ্জয় নটবৰলাল মাণ্ডাভিয়াৰেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ দিলীপ দাস, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৫/৩/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in